30T ECON

# 2020

# ECONOMICS

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

THE STUDY TIMES

## PART–A (ক - অংশ)

| | |
|---|---|
| *Q. No. 1 (a – f) carries 1 mark each* | 1×6 = 6 |
| *Q. No. 2 – 7 carries 2 marks each* | 2×6 = 12 |
| *Q. No. 8 –12 carries 4 marks each* | 4×5 = 20 |
| *Q. No. 13 & 14 carries 6 marks each* | 6×2 = 12 |
| | Total = 50 |

## PART–B (খ - অংশ)

| | |
|---|---|
| *Q. No. 15 (a – f) carries 1 mark each* | 1×6 = 6 |
| *Q. No. 16 – 21 carries 2 marks each* | 2×6 = 12 |
| *Q. No. 22 –26 carries 4 marks each* | 4×5 = 20 |
| *Q. No. 27 & 28 carries 6 marks each* | 6×2 = 12 |
| | Total = 50 |

Total (PART A & B) : 50 + 50 = 100

*Contd.*

## PART-A / ক-অংশ

1. (a) What does a Production Possibility Curve indicate? 1

উৎপাদন সম্ভাব্য রেখাই কি নির্দেশ করে?

(b) If an increase in the price of good X increases the demand for good Y, then how the two goods are related? 1

যদিহে X দ্রব্যৰ দৰ বৃদ্ধিয়ে Y দ্রব্যৰ চাহিদা বৃদ্ধি কৰে তেন্তে দ্রব্য দুটা কি ধৰণেৰে সম্পৰ্কিত?

(c) Total Variable Cost (TVC) will be _________, when total product is zero. *(Fill in the blank)* 1

মুঠ উৎপাদন শূণ্য হোৱা অৱস্থাত, মুঠ পৰিবৰ্তনশীল ব্যয় _________ হ'ব। *(খালী ঠাই পূৰ কৰা)*

(d) A firm earns normal profit when – 1

(i) AR > AC

(ii) AR = AC

(iii) AR < AC

(iv) MR = MC *(Choose the correct answer)*

এখন প্ৰতিষ্ঠানে স্বাভাৱিক লাভ আহৰণ কৰে যেতিয়া —

(i) AR > AC

(ii) AR = AC

(iii) AR < AC

(iv) MR = MC *(শুদ্ধ উত্তৰটো বাছি উলিওৱা)*

(e) In a centrally planned economy, which of the following takes all economic decisions? 1

(i) Central Bank

(ii) Market

(iii) Government

(iv) Both Government and Central Bank

কেন্দ্ৰীয়ভাৱে পৰিকল্পিত অৰ্থনীতি এখনত অৰ্থনৈতিক সিদ্ধান্তসমূহ নিম্নলিখিত কোনটো অনুষ্ঠানে গ্ৰহণ কৰে?

(i) কেন্দ্ৰীয় বেংক

(ii) বজাৰ

(iii) চৰকাৰ

(iv) কেন্দ্ৰীয় বেংক আৰু চৰকাৰ উভয়ে

THE STUDY TIMES

(f) What are the shapes of AR and MR curve for a firm under non-competitive market structure? 1

অপূৰ্ণ প্ৰতিযোগিতাৰ বজাৰৰ অন্তৰ্গত প্ৰতিষ্ঠানৰ বাবে গড় আয় আৰু প্ৰান্তিক আয় ৰেখাৰ আকৃতি কেনেকুৱা?

2. Mention *two* reasons that give rise to economic problems. 2

অৰ্থনৈতিক সমস্যা উদ্ভৱ হোৱাৰ *দুটা* কাৰণ উল্লেখ কৰা।

3. What is a budget line ? Why does it slope downward ? 1+1=2

বাজেট ৰেখা কি? এই ৰেখাৰ ঢাল কিয় নিম্নগামী?

4. If a unit tax is imposed, how does it impact the short-run supply curve of a firm ? Show with the help of diagram. 2

যদিহে একক কৰ আৰোপ কৰা হয়, তেন্তে প্ৰতিষ্ঠান এখনৰ হ্ৰস্বকালীন যোগান ৰেখাক কেনেদৰে প্ৰভাৱিত কৰিব? চিত্ৰৰ সহায়ত দেখুওৱা।

5. What is 'break-even point' of a firm ? At which point of the AC curve, a firm under perfect competition breaks-even ? 1+1=2

THE STUDY TIMES

প্ৰতিষ্ঠান এখনৰ বাবে সমতা-ভংগ বিন্দু কি? পূৰ্ণ প্ৰতিযোগিতাৰ অন্তৰ্গত প্ৰতিষ্ঠান এখনে গড় ব্যয় ৰেখাৰ কোনটো বিন্দুত সমতা-ভংগ অৱস্থা প্ৰাপ্ত কৰে?

6. What does price elasticity of supply mean ? Briefly explain. 2

যোগানৰ দৰ স্থিতিস্থাপকতা কি? বুজাই লিখা।

7. What is a monopolistic competitive market ? 2

একাধিকাৰ প্ৰতিযোগিতামূলক বা একচেটিয়াধৰ্মী প্ৰতিযোগিতাৰ বজাৰ কি?

8. Discuss *four* features of indifference curve. 4

নিৰপেক্ষ ৰেখাৰ *চাৰিটা* বৈশিষ্ট্য আলোচনা কৰা।

9. Define and draw average cost and average variable cost curve. Why these two curves can't touch each other? 3+1=4

গড় ব্যয় আৰু গড় পৰিবৰ্তনশীল ব্যয়ৰ সংজ্ঞা লিখা আৰু লগতে এই ৰেখা দুডাল অংকণ কৰা। এই দুয়োডাল ৰেখাই কিয় পৰস্পৰক স্পৰ্শ কৰিব নোৱাৰে?

*OR / অথবা*

The Total Cost (TC) schedule of a production unit is given below. Find out TFC, TVC, AC and MC. 4

এটা উৎপাদনী গোটৰ মুঠ ব্যয় (TC) অনুসূচী তলত দিয়া হৈছে। মুঠ স্থিৰ ব্যয় (TFC), মুঠ পৰিৱৰ্তনশীল ব্যয় (TVC), গড় ব্যয় (AC) আৰু প্ৰান্তিক ব্যয় (MC) অনুসূচী নিৰ্ধাৰণ কৰা।

| Quantity Produced<br>উৎপন্নৰ পৰিমাণ | TC |
|---|---|
| 0 | 10 |
| 1 | 40 |
| 2 | 60 |
| 3 | 80 |
| 4 | 95 |
| 5 | 110 |
| 6 | 130 |
| 7 | 160 |

10. Mention *four* differences between perfect competition and monopoly. 4

পূৰ্ণ প্ৰতিযোগিতাৰ বজাৰ আৰু একচেটিয়া বজাৰৰ *চাৰিটা* পাৰ্থক্য লিখা।

11. The demand and supply functions of a commodity is given by

$$Q_d = 100 - 2P$$

$$Q_s = 2P - 60$$

Find :

(i) Equilibrium price

(ii) Equilibrium quantity. 3+1=4

THE STUDY TIMES

তলত এটা দ্ৰব্যৰ যোগান আৰু চাহিদা ফলন দিয়া হৈছে।

$$Q_d = 100 - 2P$$

$$Q_s = 2P - 60$$

(i) ভাৰসাম্য দৰ আৰু

(ii) ভাৰসাম্য উৎপন্নৰ পৰিমাণ গণনা কৰা।

*OR / অথবা*

Explain with the help of a diagram, how shifting of the supply curve of a commodity affects its equilibrium price and output. 4

দ্ৰব্য এটাৰ যোগান ৰেখাৰ স্থানান্তৰে দ্ৰব্যটোৰ ভাৰসাম্য দৰ আৰু উৎপন্নৰ পৰিমাণক কেনেদৰে প্ৰভাবিত কৰে চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

12. What do you understand by returns to a scale? Write the meaning of constant, increasing and decreasing returns to scale. 1+3=4

মাত্ৰাৰ প্ৰতিদান বুলিলে কি বুজা? সমহাৰ, ক্ৰমবৰ্ধমান আৰু ক্ৰমহ্ৰাসমান মাত্ৰাৰ প্ৰতিদানৰ অৰ্থ লিখা।

*OR* / অথবা

State the reasons behind the working of the law of diminishing marginal product. 4

ক্ৰমহ্ৰাসমান প্ৰান্তিক উৎপাদন বিধিৰ কাৰণসমূহ লিখা।

13. State and explain the law of demand with the help of an imaginary schedule and diagram. 6

চাহিদা বিধিটো লিখা আৰু এখন কাল্পনিক চাহিদা অনুসূচী আৰু উপযুক্ত চিত্ৰৰ সহায়ত ইয়াক ব্যাখ্যা কৰা।

THE STUDY TIMES

*OR* / অথবা

Calculate price elasticity of demand by expenditure method :

*(i)* If an increase in price from Rs. 10 to Rs. 12 per unit lowers quantity demanded from 25 units to 20 units.

*(ii)* If an increase in price per unit from Rs. 8 to Rs. 10 lowers quantity demanded from 20 to 16 units.

*(iii)* If a decrease in price from Rs. 12 to Rs. 8 per unit increases quantity demanded from 20 to 28 units. 2+2+2=6

ব্যয় পদ্ধতিৰ জৰিয়তে চাহিদাৰ স্থিতিস্থাপকতা গণনা কৰা ঃ

(i) প্ৰতি একক দ্ৰব্যৰ দৰ 10 টকাৰ পৰা 12 টকালৈ বৃদ্ধি হ'লে চাহিদাৰ পৰিমাণ 25 এককৰ পৰা 20 এককলৈ হ্ৰাস হয়।

(ii) প্ৰতি একক দ্ৰব্যৰ দৰ 8 টকাৰ পৰা 10 টকালৈ বৃদ্ধি হ'লে চাহিদাৰ পৰিমাণ 20 এককৰ পৰা 16 এককলৈ হ্ৰাস পায়।

(iii) প্ৰতি একক দ্ৰব্যৰ দৰ 12 টকাৰ পৰা 8 টকালৈ হ্ৰাস হ'লে চাহিদা 20-ৰ পৰা 28 এককলৈ বৃদ্ধি হয়।

14. Define :

(i) Total Product (TP)

(ii) Average Product (AP)

(iii) Marginal Product (MP)

Explain the relation between AP and MP with the help of suitable diagram. 1+1+1+3=6

সংজ্ঞা লিখা ঃ

(i) মুঠ উৎপাদন

(ii) গড় উৎপাদন

(iii) প্ৰান্তিক উৎপাদন।

গড় উৎপাদন আৰু প্ৰান্তিক উৎপাদনৰ সম্পৰ্ক উপযুক্ত চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

OR / অথবা

(i) What is production function? 1

উৎপাদন ফলন কাক বোলে?

(ii) What do you mean by fixed factor and variable factor of production? Give examples. 2

উৎপাদনৰ স্থিৰ উপাদান আৰু পৰিবৰ্তনশীল উপাদান বুলিলে কি বুজা? উদাহৰণসহ লিখা।

(iii) The production function of a firm is given by $Q = 2L^2K^2$.

Find out the maximum possible output that the firm can produce with 5 units of $L$ and 2 units of $K$. What is the maximum possible output the firm can produce with zero (0) units of $L$ and 10 units of $K$? 3

দিয়া আছে এখন প্ৰতিষ্ঠানৰ উৎপাদন ফলন $Q = 2L^2K^2$।

5 একক $L$ আৰু 2 একক $K$-ৰ সহায়ত প্ৰতিষ্ঠানখনে সৰ্বোচ্চ কিমান গোট দ্ৰব্য উৎপাদন কৰিব পাৰিব? শূণ্য (0) একক $L$ আৰু 10 একক $K$-ৰ সহায়ত প্ৰতিষ্ঠানখনে উৎপাদন কৰিব পৰা সৰ্বোচ্চ উৎপাদন কিমান হ'ব?

## PART–B / খ-অংশ

15. *(a)* What is the relation between MPC and MPS? 1

MPC আৰু MPS-ৰ মাজৰ সম্পৰ্ক লিখা।

*(b)* What is investment? 1

বিনিয়োগ কি?

*(c)* What do you mean by 'velocity of circulation' of money? 1

মুদ্ৰাৰ 'প্ৰচলন গতিবেগ' বুলিলে কি বুজা?

*(d)* Who is known as the 'lender of last resort'? 1

'শেষ/অন্তিম সময়ৰ ঋণদাতা' বুলি কাক বুজোৱা হয়?

THE STUDY TIMES

*(e)* What is government budget? 1

চৰকাৰী বাজেট কি?

*(f)* In which year GST came into effect in India? 1

ভাৰতবৰ্ষত কোন চনৰ পৰা GST বলবৎ কৰা হৈছে?

16. Define intermediate good. How intermediate goods are different from capital goods? 1+1=2

মধ্যবৰ্তী দ্ৰব্যৰ সংজ্ঞা লিখা। মধ্যবৰ্তী দ্ৰব্যসমূহ কিদৰে মূলধনী দ্ৰব্যৰ পৰা পৃথক?

17. What is investment multiplier ? If Rs. 200 crore increase in investment increases income by Rs. 800 crore, then what will be the value of investment multiplier ? 1+1=2

বিনিয়োগ গুণক কি? যদিহে 200 কোটি টকাৰ বিনিয়োগ বৃদ্ধিয়ে আয় 800 কোটি টকা বৃদ্ধি কৰে তেন্তে বিনিয়োগ গুণকৰ মান নিৰ্ণয় কৰা।

18. Write the differences between *ex-ante* investment and *ex-post* investment. 2

প্ৰত্যাশিত বিনিয়োগ আৰু শেহান্ত (প্ৰকৃত) বিনিয়োগৰ পাৰ্থক্য লিখা।

19. Mention *two* points of superiority of Selective Credit Measures over Quantitative Credit Control Measures. 2

পৰিমাণগত ঋণ নিয়ন্ত্ৰণ পদ্ধতিতকৈ নিৰ্বাচনমূলক ঋণ নিয়ন্ত্ৰণ পদ্ধতিৰ *দুটা* শ্ৰেষ্ঠতাৰ দিশ উল্লেখ কৰা।

20. Write *two* differences between revenue expenditure and capital expenditure. 2

ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ মাজৰ *দুটা* পাৰ্থক্য লিখা।

21. What do you mean by devaluation of currency ? How does it affect the import of a country ? 1+1=2

মুদ্ৰাৰ অৱমূল্যায়ন বুলিলে কি বুজা? মুদ্ৰাৰ অৱমূল্যায়নে দেশ এখনৰ আমদানিৰ পৰিমাণক কেনেদৰে প্ৰভাৱিত কৰে?



THE STUDY TIMES

22. Define GDP. Can GDP be used as an index of welfare of a country ? Justify your answer. 1+3=4

GDP-ৰ সংজ্ঞা লিখা। GDP-ক দেশ এখনৰ কল্যাণৰ সূচক ৰূপে ব্যৱহাৰ কৰিব পাৰিনে? তোমাৰ উত্তৰ সপক্ষে যুক্তি আগবঢ়োৱা।

23. How does the central bank use its quantitative credit control measures to control inflationary situation of an economy ? 4

এখন অৰ্থনীতিৰ মুদ্ৰাস্ফীতিৰ অৱস্থা নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় বেংকে পৰিমাণগত ঋণ নিয়ন্ত্ৰণৰ আহিলাসমূহ কিদৰে ব্যৱহাৰ কৰিব?

*OR* / অথবা

Write a note on 'demonetisation'. 4

'বিমুদ্ৰাকৰণ'ৰ বিষয়ে এটি টোকা লিখা।

24. What is a Deficit Budget ? Why a deficit budget is considered beneficial than a surplus budget for a developing economy ? 1+3=4

ঘাটি বাজেট কি? উন্নয়নশীল অৰ্থনীতিৰ ক্ষেত্ৰত ৰাহি বাজেটতকৈ ঘাটি বাজেটক কিয় উপযোগী হিচাপে বিবেচনা কৰা হয়?

25. Mention *four* differences between Direct taxes and Indirect taxes. 4

প্ৰত্যক্ষ কৰ আৰু পৰোক্ষ কৰৰ মাজৰ *চাৰিটা* পাৰ্থক্য লিখা।

26. *(i)* What is balance of payment ? 1

পৰিশোধৰ সমতা কি?

*(ii)* What are the *two* main components of balance of payment ? 1

পৰিশোধৰ সমতাৰ মূল উপাদান *দুটা* কি কি?

*(iii)* Write *two* differences between balance of payment and balance of trade. 2

পৰিশোধৰ সমতা আৰু বাণিজ্যৰ সমতাৰ *দুটা* পাৰ্থক্য লিখা।

OR / অথবা

Write briefly about : 2+2=4

(i) Open Economy

(ii) Exchange Rate.

চমুকৈ লিখা ঃ

(i) মুক্ত অৰ্থনীতি

(ii) বিনিময় হাৰ।

27. Explain the procedures of calculating National Income by value-added method. 6

মূল্য সংযোজন পদ্ধতিৰে জাতীয় আয় গণনা কৰাৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা।

OR / অথবা

THE STUDY TIMES

From the data given below calculate :

(i) GDP at factor cost

(ii) GNP at market price

(iii) NNP at factor cost

| | | | |
|---|---|---|---|
| (a) | Consumption Expenditure | : | Rs. 2,000 crores |
| (b) | Investment Expenditure | : | Rs. 1,200 crores |
| (c) | Government Expenditure | : | Rs. 450 crores |
| (d) | Export | : | Rs. 80 crores |
| (e) | Import | : | Rs. 95 crores |
| (f) | Net factor income from abroad | : | Rs. 60 crores |
| (g) | Indirect taxes | : | Rs. 90 crores |
| (h) | Subsidies | : | Rs. 80 crores |
| (i) | Depreciation | : | Rs. 30 crores |

তলৰ তথ্যৰ পৰা ঃ

(i) উপাদান ব্যয়ত মুঠ/স্থূল ঘৰুৱা উৎপাদন ($GDP_{FC}$)

(ii) বজাৰ দৰত মুঠ/স্থূল জাতীয় উৎপাদন ($GNP_{MP}$)

(iii) উপাদান ব্যয়ত নিগুট/প্ৰকৃত জাতীয় উৎপাদন ($NNP_{FC}$) গণনা কৰা।

| | | | | | |
|---|---|---|---|---|---|
| (a) | উপভোগ ব্যয় | ঃ | 2,000 | কোটি | টকা |
| (b) | বিনিয়োগ ব্যয় | ঃ | 1,200 | ,, | ,, |
| (c) | চৰকাৰী ব্যয় | ঃ | 450 | ,, | ,, |
| (d) | ৰপ্তানি | ঃ | 80 | ,, | ,, |
| (e) | আমদানি | ঃ | 95 | ,, | ,, |
| (f) | বিদেশৰ পৰা নিগুট উপাদান আয় | ঃ | 60 | ,, | ,, |
| (g) | পৰোক্ষ কৰ | ঃ | 90 | ,, | ,, |
| (h) | ৰেহাই | ঃ | 80 | ,, | ,, |
| (i) | অৱক্ষয় | ঃ | 30 | ,, | ,, |

28. Explain the process of equilibrium income determination of an economy with the use of aggregate demand and aggregate supply curves. 6

সামগ্ৰিক যোগান আৰু চাহিদা ৰেখাৰ সহায়ত এখন অৰ্থনীতিৰ ভাৰসাম্য আয় নিৰ্ধাৰণৰ প্ৰক্ৰিয়াটো চিত্ৰসহ ব্যাখ্যা কৰা।

THE STUDY TIMES

OR / অথবা

What is aggregate demand ? Discuss the components of aggregate demand. 1+5=6

সামগ্রিক চাহিদা কি? সামগ্রিক চাহিদাৰ উপাদানসমূহ আলোচনা কৰা।

THE STUDY TIMES

—×—

THE STUDY TIMES